## পাঠ-৩
# অসমৰ সংস্কৃতি

আমাৰ ৰাজ্য অসম বিভিন্ন জাতি-উপজাতিৰ মিলনভূমি। ইয়াত থকা জাতিসমূহৰ লগতে জনজাতিসকলৰ ভাষা আৰু সংস্কৃতিয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। জনজাতিসকলৰ ভিতৰত বড়ো-কছাৰী, দেউৰী, তিৱা, গাৰো, ডিমাছা, মিছিং, আদিবাসী আৰু ৰাভা আদি প্ৰধানকৈ উল্লেখযোগ্য। ইয়াৰ উপৰি ভাৰতৰ ভিন্ন প্ৰান্তৰ পৰা হিন্দী, বাংলা, নেপালী আদি ভাষা-ভাষী লোকো ইয়াৰ বাসিন্দা। অসমত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহ নিজস্ব ভাষা, সাহিত্য, সামাজিক ৰীতি-নীতি, সাজ-পাৰৰ বৈশিষ্ট্য, আ-অলংকাৰ আৰু উৎসৱ-পাৰ্বণ আদিৰে পুষ্ট। এই সকলো জাতি-জনগোষ্ঠীৰ নিজা নিজা সংস্কৃতি আছে। কিন্তু নৈৰ পানী গৈ সাগৰত মিলি যোৱাৰ দৰে এই সকলো সংস্কৃতিৰ আধাৰত বৃহৎ অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। সেয়েহে, অসমীয়া সংস্কৃতি বুলিলে এক উমৈহতীয়া সংস্কৃতিৰ কথা বুজা যায়।

➢ তোমালোকৰ নিজৰ নিজৰ অঞ্চলত কোন-কোন জনজাতিৰ লোক বাস কৰে?

➢ অন্যান্য ভাষাৰে কথা পতা ছাত্ৰ-ছাত্ৰী তোমালোকৰ বিদ্যালয়ত আছেনে? যদি আছে, তেওঁলোকে কি কি ভাষাৰে কথা পাতে?












অসমত বাস কৰা সকলো জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য, সংগীত-নৃত্য, আচাৰ ব্যৱহাৰ, সাজ-পাৰ, আ-অলংকাৰ, বিবাহৰ পদ্ধতিৰ লগতে ধৰ্মীয় ধ্যান-ধাৰণাৰ পৰম্পৰাগত সমন্বয় সাধিত হৈ অসমীয়া সংস্কৃতি গঢ়ি উঠিছে।






শ্ৰীমন্ত শংকৰদেৱৰ কাল্পনিক চিত্ৰ

অসমীয়া সংস্কৃতিলৈ অৰিহণা যোগোৱাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান উল্লেখযোগ্য। মহাপুৰুষজনাৰ আবিৰ্ভাৱৰ পাছত অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়া অধিক সংহত আৰু গতিশীল হৈ পৰে। মহাপুৰুষজনাৰ অৱদানে অসমীয়া সমাজত এটা শক্তিশালী অসমীয়া সংস্কৃতি গঢ়ি তোলে।



মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অবিহনে অসমীয়া সংস্কৃতিৰ কথা ভাবিব নোৱাৰি। তেওঁ এফালে যিদৰে গীত-পদ, ভাওনা আদিৰ সৃষ্টি কৰিলে আনফালে তেওঁ নিজ উদ্ভাৱনাৰে খোল-তাল আদিৰো সৃষ্টি কৰি অসমীয়া সংস্কৃতিক এটা স্বকীয় ৰূপত প্ৰতিষ্ঠিত কৰিলে। মহাপুৰুষ জনাই সৃষ্টি কৰা নামঘৰ আৰু সত্ৰ অসমীয়া কৃষ্টিৰ বৰখুটা। তেখেতে সৃষ্টি কৰা সত্ৰীয়া নৃত্য সমগ্ৰ ভাৰততে সন্মান লাভ কৰিছে।

**অসমীয়া সংস্কৃতি গঢ়ি তোলা কিছুমান উপাদানৰ বিষয়ে জানি লওঁ আহা—**



পুৰণিকালৰে পৰা অসমীয়া সমাজত কিছুমান ৰীতি-নীতিৰ প্ৰচলন হৈ আহিছে। কিছুমান কাম-কাজ বা নীতি-নিয়ম বহুদিনৰ পৰাই ধাৰাবাহিকভাৱে চলি আহিছে। এই ৰীতি-নীতিবোৰে সমাজখন শৃংখলাবদ্ধভাৱে চলিবলৈ সহায় কৰে। যেনে— ঘৰলৈ আলহী আহিলে তামোল-পাণ আৰু চাহ-জলপান আগবঢ়োৱা, পৰিয়ালৰ জ্যেষ্ঠজনক সন্মান কৰা, কাতি বিহুৰ দিনা তুলসীৰ তলত আৰু খেতিপথাৰত চাকি জ্বলোৱা আদি।

➢ তোমালোকৰ অঞ্চলত সদায় চলি অহা কিছুমান ৰীতি-নীতি উল্লেখ কৰি তালিকা এখন প্ৰস্তুত কৰা।

অসমৰ স্থানীয় ভাষা অসমীয়া। ইয়াৰ উপৰি অসমত বিভিন্ন জনজাতীয় ভাষা আৰু হিন্দী, বাংলা, নেপালী আদি ভাষাও প্ৰচলন হৈ আছে। অসমীয়া ভাষাত বিভিন্ন জনজাতীয় ভাষাসমূহৰ শব্দ সোমাই আছে। অসমীয়া সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে নানা গীত-পদ, ফঁকৰা-যোজনা, সাঁথৰ, সাধুকথা আদি লৌকিকভাৱে চলি আহিছে।

➢ তোমালোকৰ অঞ্চলত কি কি ভাষা কোৱা লোক আছে?

➢ তোমালোকে জনা দুখন অসমীয়া গল্প পুথিৰ নাম লিখা?



কোনো এটা জাতিৰ সাজ-পাৰে সেই জাতিটোৰ সংস্কৃতিৰ পৰিচয় দিয়ে। অসমত বাস কৰা বিভিন্ন জাতি আৰু জনজাতিসকলৰো নিজা নিজা সাজ-পাৰ আছে। সাধাৰণতে অসমৰ মহিলাসকলে ৰিহা, মেখেলা, চাদৰ আদি পিন্ধে। পুৰুষে ধুতি, চেলেং-চাদৰ, কুৰ্তা আদি পিন্ধে। জনজাতীয় লোকসকলৰো নিজৰ নিজৰ সাজ-পাৰ আছে। তেওঁলোকৰ সাজ-পাৰ সাধাৰণতে উজ্জ্বল ৰঙৰ হয়। যুগৰ লগতে মানুহৰ সাজ-পাৰৰো পৰিৱৰ্তন ঘটে, সেয়েহে আজিকালি পুৰুষে লং-পেণ্ট, চাৰ্ট, পাইজামা আৰু মহিলাসকলে শাৰী, চুৰিদাৰ আদিও পৰিধান কৰা দেখা যায়।

তলৰ তালিকাৰ পৰা কিছুমান জনজাতীয়লোকৰ সাজ-পাৰৰ নাম জানি লওঁ আহা—

| জনজাতি | মহিলাৰ সাজ-পাৰ | পুৰুষৰ সাজপাৰ |
|---|---|---|
| বড়ো | দখনা, ফালি | গামোছা, আৰ'নাই |
| মিচিং | এগে গাছৰ, ৰিবি গাছেং, গেৰ | মিবু গালোক, গনচা ওগান, টঙালি |
| তিৱা | ছচকাই, ফাচকাই | ঠানা, টাগলা, ফাগা |
| ডিমাছা | ৰিগু ৰিজাম্ফাই, ৰিখাউছা, জিচু | ৰিছা, ৰিমছাউ, গাইনথাউ, পাগ্ৰি |
| কাৰ্বি | পিনি, পেকক, ৱামকক, চেলেং | চইহংথৰ, চেলেং, প'হ |



অসমীয়া সমাজত আ-অলংকাৰৰ গুৰুত্ব অতি বেছি। বিবাহ, নৃত্য, উৎসব-পাৰ্বণ আদিত আ-অলংকাৰৰ ব্যৱহাৰ কৰাটো পৰম্পৰা। অসমীয়া সমাজত পৰম্পৰাগতভাৱে চলি অহা কিছুমান আ-অলংকাৰ হ'ল— কেৰু, জোনবিৰি, ঢোলবিৰি, গামখাৰু, লোকাপাৰ, খোপাফুল, কাণফুল, গলপতা, আঙঠি, থুৰীয়া, ডুগডুগী, নাকফুল আদি।



➢ তোমালোকৰ অঞ্চলত বাস কৰা কিছুমান জাতি-জনজাতিৰ সাজ-পাৰ আৰু অলংকাৰৰ নাম লিখা।

বিহু অসমীয়াৰ জাতীয় উৎসৱ। সেইবাবে জাতি-ধৰ্ম নিৰ্বিশেষে সকলো অসমীয়াই বিহু উৎসৱ পালন কৰে। জাতীয় উৎসৱৰ মাজেৰে জাতিৰ সভ্যতা-সংস্কৃতিৰ প্ৰতিফলন হয়। অসমৰ জাতীয় উৎসৱ বিহু কৃষিভিত্তিক হোৱা বাবেই অসমৰ সকলো জনজাতিয়েই এই বিহু পালন কৰে। অৱশ্যে জনজাতিসমূহৰ কিছুমান নিজস্ব পৃথক ৰীতি-নীতি থাকে আৰু বিহু কেইটা সামান্য পৃথকভাৱে পালন কৰে। বড়োসকলে বৈশাগু আৰু খেৰাই পূজা পালন কৰে। কাৰ্বিসকলে ৰংকাৰ আৰু হেচ্ছা, মিচিংসকলে আলি-আই-লিগাং পালন কৰে। ডিমাছাসকলৰ ঘাই উৎসৱ হৈছে ৰাজিনীগাব্ৰা আৰু হানিগাব্ৰা। ৰাভাসকলে বাইখো, দেউৰীসকলে বৈশাগীত আদি উৎসৱ পালন কৰে। এই সকলোবোৰ উৎসৱ কৃষিৰ লগত জড়িত। ইয়াৰ উপৰি অসমত কিছুমান ধৰ্মীয় আৰু সামাজিক উৎসৱো পালন কৰা হয়।



অসমৰ প্ৰচলিত নৃত্য-গীতসমূহৰ ভিতৰত জিকিৰ, মহহোৱা গীত, নাও খেলৰ গীত, বিহু গীত, হুঁচৰি, দেউৰী নৃত্য, ঝুমুইৰ নৃত্য, খেৰাই নৃত্য, দেওধনী নৃত্য আদি। এই নৃত্য গীতসমূহৰ লগত সাধাৰণতে ঢোল, পেঁপা, গগনা, টকা, চিফুং, সুতলী, খোল, তাল, দোতোৰা, বাঁহী, শিঙা, বীণ, টোকাৰী আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়।



➢ তলৰ কোনটো গীতৰ লগত কি কি বাদ্য ব্যৱহাৰ কৰা হয় লিখা—

বিহুগীত বৰগীত জিকিৰ লোকগীত







অসমীয়া সংস্কৃতিৰ আন দুবিধ নৃত্য হ'ল— পুতলা নাচ আৰু ওজাপালি। পুতলা নাচৰ সহায়ত ৰামায়ণ মহাভাৰতৰ কাহিনী ৰূপায়ণ কৰা হয়। ওজাপালি অসমৰ পুৰণিকলীয়া গীত-নৃত্যৰ অনুষ্ঠান।




➢ তোমালোকে কি কি উৎসৱ পালন কৰা লিখা।

অসমীয়া মানুহৰ খোৱা-বোৱাত স্বকীয় বৈশিষ্ট্য আছে। অসমৰ মাটি ধান খেতিৰ বাবে উপযোগী। সেইবাবে অসমৰ মানুহৰ প্ৰধান খাদ্য হৈছে ভাত। তাৰ উপৰি অসমৰ মানুহে চাউলৰ পৰা বিভিন্ন খাদ্যবস্তু প্ৰস্তুত কৰি লয়।

এই খাদ্যবোৰ হ'ল চিৰা, মুৰি হুৰুম, আখৈ, সান্দহ, কৰাই গুড়ি, কোমল চাউল, তিল পিঠা, ঘিলা পিঠা আদি।



ইয়াৰ উপৰি অসমৰ মানুহে নানা ধৰণৰ শাক-পাচলি, ফল-মূল আদি আহাৰ হিচাপে গ্ৰহণ কৰে।

**অতি প্ৰাচীন কালত ভাৰত তথা ভাৰতৰ বাহিৰৰ দেশৰ পৰা ভিন ভিন পথেদি বিভিন্ন জনগোষ্ঠীয় লোকসকল অসমলৈ আহিছিল বুলি আমাৰ পণ্ডিতসকলে কৈছে। উদাহৰণস্বৰূপে— অষ্ট্ৰিক, তিবৃতধৰ্মী, ককেছীয়, টাই মংগোলীয় গোষ্ঠী আদি। তেওঁলোকৰ সংস্কৃতিৰ প্ৰভাৱ অসমীয়া সংস্কৃতিত পৰিছে বুলি পণ্ডিতসকলে স্বীকাৰ কৰে।**



## অনুশীলনী

১। উত্তৰ লিখা—

(ক) অসমত বাস কৰা জনজাতিসকলৰ নাম লিখা।

(খ) কিছুমান আ-অলংকাৰৰ নাম লিখা।

(গ) তিনিটা নৃত্যৰ নাম লিখা।

(ঘ) প্ৰাচীনকালত অসমলৈ অহা তিনিটা জনগোষ্ঠীৰ নাম লিখা।

(ঙ) চাউলৰ পৰা তৈয়াৰ কৰা চাৰিবিধ খাদ্যবস্তুৰ নাম লিখা।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| বড়ো | ৰিগু ৰিজাম্ফাই |
| ডিমাছা | পিনি |
| কাৰ্বি | মেখেলা |
| অসমীয়া | দখনা |

৩। খালী ঠাই পূৰ কৰা—

(ক) খেৰাই পূজা ________ সকলে পালন কৰা উৎসৱ।

(খ) কাৰ্বিসকলৰ ঘাই উৎসৱ ________ আৰু ________।

(গ) মিচিংসকলে ________ পালন কৰে।

(ঘ) ডিমাছাসকলৰ ঘাই উৎসৱ হৈছে ________ আৰু ________।

৪। অসমীয়া সংস্কৃতি বুলিলে কি বুজা?

৫। অসমীয়া সংস্কৃতিক অধিক শক্তিশালী ৰূপত গঢ়ি তোলা মহাপুৰুষ গৰাকীৰ নাম কি? মহাপুৰুষ গৰাকীয়ে অসমীয়া সংস্কৃতিত আগবঢ়োৱা অৱদানসমূহ কি কি?

৬। চমুটোকা লিখা—

(ক) উৎসৱ-পাৰ্বণ (খ) বাদ্যযন্ত্ৰ (গ) নৃত্য-গীত (ঘ) ৰীতি-নীতি

৭। এখন শৰাইৰ ছবি আঁকা।